# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 12-11-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। রাষ্ট্রপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি তিনি দিনীয়া ভ্ৰমণসূচীৰে কেন্দ্ৰীয় শাসিত অঞ্চল দাদ্ৰা আৰু নগৰ হাভেলী আৰু দমন আৰু ডিউলৈ ৰাওনা হ'ব।

২। ৰাছিয়াৰ উপ-প্ৰধানমন্ত্ৰী ডেনিছ মণ্টুৰভে কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে।

৩। কেন্দ্ৰীয় চৰকাৰে বিদেশ সচিব বিক্ৰম মিশ্ৰিৰ কাৰ্যকাল ২০২৬ চনৰ ১৪ জুলাই পৰ্যন্ত বৃদ্ধি কৰিছে।

৪। মণিপুৰৰ জিৰিবাম জিলাত নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত কালি ১০টা উগ্ৰপন্থী নিহত হয়।

*আৰু*

৫। ভাৰত আজি মহিলাৰ এছিয় হকী ছেম্পিয়নছ ট্ৰফী প্ৰতিযোগিতাত দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি তিনি দিনীয়া ভ্ৰমণসূচীৰে কেন্দ্ৰীয় শাসিত অঞ্চল দাদ্ৰা আৰু নগৰ হাভেলী আৰু দমন আৰু ডিউলৈ ৰাওনা হ'ব। ভ্ৰমণৰ প্ৰথম দিনা আজি ৰাষ্ট্ৰপতিগৰাকীয়ে দমনৰ চৰকাৰী অভিযান্ত্ৰিক মহাবিদ্যালয় তথা ৰাষ্ট্ৰীয় ফেশ্বন প্ৰযুক্তি প্ৰতিষ্ঠানকে ধৰি বিভিন্ন অনুষ্ঠান পৰিদৰ্শন কৰিব। ৰাষ্ট্ৰপতিগৰাকী কাইলৈ ছিলভাছাত থকা নমো চিকিৎসা শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানলৈ যাব।

ভ্ৰমণৰ সময়ছোৱাত শ্ৰীমতী মুৰ্মুৱে বিভিন্ন শৈক্ষিক প্ৰতিষ্ঠানৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীবৰ্গৰ সৈতে বাৰ্তালাপত মিলিত হ'ব। তেওঁ জান্দা চ'ক বিদ্যালয় মুকলি কৰাৰ লগতে ছিলভাছাত এখন জনসভাতো অংশগ্ৰহণ কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে ডিউত থকা আই এন এছ খুক্ৰী স্মাৰকো পৰিদৰ্শন কৰিব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি নতুন দিল্লীত দেশৰ নৱ নিযুক্ত মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাক আদৰণি জনোৱাৰ উদ্দেশ্যে নৈশ ভোজৰ আয়োজন কৰে। অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিং, বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰ, দেশৰ সদ্যবিদায়ী মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, দেশৰ উচ্চতম ন্যায়ালয়ৰ ভালেকেইগৰাকী ন্যায়াধীশ আৰু ৰাজ্যসমূহৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশকে ধৰি ভালেসংখ্যক গণ্য-মান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

ooooo

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি লুধিয়ানাৰ পাঞ্জাব কৃষি বিশ্ববিদ্যালয় পৰিদৰ্শন কৰিব। তেওঁ বিশ্ববিদ্যালয়খনত জলবায়ু পৰিৱৰ্তন আৰু শক্তি পৰিৱৰ্তনৰ সময়ত কৃষি খাদ্য ব্যৱস্থাৰ ৰূপান্তৰ বিষয়ক এখন আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত পাঞ্জাবৰ ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়া আৰু মুখ্যমন্ত্ৰী ভগৱন্ত সিং মানেও ভাগ ল'ব।

ইয়াৰ পাছত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ৩২ সংখ্যক ছট পল মিট্টাল ৰাষ্ট্ৰীয় বঁটা প্ৰদান অনুষ্ঠানত ছট পল মিট্টাল বিদ্যালয়ৰ শিক্ষাৰ্থী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৈতে বাৰ্তালাপ অংশগ্ৰহণ কৰিব।

ooooo

ৰাছিয়াৰ প্ৰথমগৰাকী উপ-প্ৰধানমন্ত্ৰী ডেনিছ্ মণ্টুৰভে কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। সাক্ষাৎকালত দুয়োগৰাকী নেতাই বাণিজ্য আৰু অৰ্থনৈতিক সম্পৰ্ক, শক্তি তথা যোগাযোগকে ধৰি বিভিন্ন খণ্ডত সহযোগিতা ত্বৰান্বিত কৰাৰ বিষয়ে মত বিনিময় কৰে।

সাক্ষাৎকালত শ্ৰী মোদীয়ে উভয় দেশৰ মাজত থকা বিশেষ কৌশলগত সহযোগিতাক অধিক শক্তিশালী কৰাৰ বাবে দুয়োপক্ষই কৰি অহা প্ৰচেষ্টাৰ শলাগ লয়। শ্ৰী মোদীয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনলৈ শুভেচ্ছা জ্ঞাপন কৰি দেশখনৰ সৈতে কৰি অহা কাম-কাজ অধিক আগুৱাই নিবলৈ আগ্ৰহী বুলি প্ৰকাশ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মৰিছাচৰ নিৰ্বাচনত অৰ্জন কৰা ঐতিহাসিক বিজয়ৰ বাবে ড০ নবীন ৰামগুলামক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে ড০ ৰামগুলামৰ সৈতে বাৰ্তালাপ কৰি দেশখনৰ নেতৃত্ব দিয়াৰ ক্ষেত্ৰত তেওঁৰ সফলতা কামনা কৰিছে বুলি প্ৰকাশ কৰে। শ্ৰী মোদীয়ে ড০ ৰামগুলামক ভাৰত ভ্ৰমণৰ বাবেও আমন্ত্ৰণ জনায়। দেশখনৰ সৈতে থকা বিশেষ আৰু অনন্য সহযোগিতাক শক্তিশালী কৰাৰ বাবে ঘনিষ্ঠভাৱে কাম কৰিবলৈ বাট চাই থকাৰ বিষয়েও শ্ৰী মোদীয়ে প্ৰকাশ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সাংসদ অনিল বালুনিৰ নতুন দিল্লীত থকা বাসগৃহত কালি ইগাছ্ উৎসৱত ভাগ লয়। উল্লেখযোগ্য যে ইগাছ হৈছে উত্তৰাখণ্ডৰ পৰম্পৰাগত পোহৰৰ উৎসৱ। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত শ্ৰী মোদীয়ে দেশৰ জনসাধাৰণ আৰু উত্তৰাখণ্ডৰ জনতাক এই উৎসৱ উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰে। এই উৎসৱে সকলোৰে জীৱনলৈ আনন্দ, সমৃদ্ধি কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয় যে, প্ৰায় বিলুপ্ত হৈ পৰা এই ইগাছ্ উৎস এতিয়া উত্তৰাখণ্ডৰ লোকসকলৰ বিশ্বাসৰ ভেটি হিচাপে গঢ় লৈ উঠিছে। তেওঁ উত্তৰাখণ্ডৰ লোকসকলক এই পৰম্পৰাগত উৎসৱক জীয়াই ৰখাৰ বাবে কৰা প্ৰচেষ্টাৰ শলাগ লয়। কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই এই অনুষ্ঠানত ভাগ লয়।

ooooo

কেন্দ্ৰীয় চৰকাৰে বিদেশ সচিব বিক্ৰম মিশ্ৰিৰ কাৰ্যকাল ২০২৬ চনৰ ১৪ জুলাই পৰ্যন্ত বৃদ্ধি কৰিছে। কেবিনেটৰ নিযুক্তি কমিটিয়ে কাৰ্যকাল বৃদ্ধিত অনুমোদন জনাইছে। শ্ৰী মিশ্ৰিয়ে চলিত বৰ্ষৰ ১৫ জুলাইত বিদেশ

সচিবৰ দায়িত্ব গ্ৰহণ কৰিছিল। ১৯৮৯ চনৰ ভাৰতীয় বিদেশ সেৱাৰ বিষয়াগৰাকীয়ে ইয়াৰ পূৰ্বে বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ বিভিন্ন পদবীত সেৱা আগবঢ়োৱাৰ লগতে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়তো কাম কৰিছিল।

ooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম ৰেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

ooooo

মণিপুৰৰ জিৰিবাম জিলাত নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত কালি ১০টা উগ্ৰপন্থী নিহত হয়। জানিব পৰা মতে জিৰিবাম জিলাৰ জাকুৰাধৰ আৰু বৰোবেক্ৰা আৰক্ষী চকীত অৱস্থিত চি আৰ পি এফৰ পহৰাচকীত কালি বিয়লি সশস্ত্ৰ উগ্ৰপন্থীয়ে আক্ৰমণ চলায়। নিৰাপত্তাৰক্ষী আৰু উগ্ৰপন্থী গোটৰ মাজত হোৱা সংঘৰ্ষৰ পাছত ঘটনাস্থলীৰ পৰা উগ্ৰপন্থীকেইটাৰ মৃতদেহ উদ্ধাৰ কৰা হয়। এই সংঘৰ্ষত চি আৰ পি এফৰ এজন জোৱানো আহত হয়।

ooooo

গুজৰাটৰ বানছকান্থা জিলাৰ **ভৱ** বিধানসভা আসনৰ বাবে হ'বলগীয়া উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ কালি সামৰণি পৰে।

উপ-নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি বিজেপি আৰু কংগ্ৰেছৰ জ্যেষ্ঠ নেতাসকলে জোৰদাৰ প্ৰচাৰ অভিযান চলোৱা পৰিলক্ষিত হয়। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি সমষ্টিটোত দহ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে যদিও বিজেপি নেতা স্বৰূপজি ঠাকুৰ, কংগ্ৰেছৰ গুলাব সিং ৰাজপুত আৰু নিৰ্দলীয় প্ৰাৰ্থী মাৱজী পেটেলৰ মাজতে মূল নিৰ্বাচনী যুঁজ হোৱাৰ সম্ভাৱনা আছে। সমষ্টিটোত কাইলৈ ভোটগ্ৰহণ কৰা হ'ব আৰু ২৩ নৱেম্বৰত ভোট গণনা কৰা হ'ব।

ooooo

পশ্চিমবংগৰ ছটা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰো কালি বিয়লি সামৰণি পৰে। ৰাজ্যখনৰ উত্তৰ-২৪ পৰগনা জিলাৰ হাৰোৱা আৰু নয়হাটী, পশ্চিম মেদিনীপুৰ জিলাৰ মেদিনীপুৰ, আলিপুৰদুৱাৰ জিলাৰ মদাৰীহাট, কোচবিহাৰ জিলাৰ চিতাই আৰু বাঁকুৰা জিলাৰ তলদাংৰাত কাইলৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই উপ-নিৰ্বাচনত ১৫ লাখতকৈও অধিক ভোটদাতাই ৪২ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব।

নিৰ্বাচন আয়োগে উপ-নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

ooooo

কলকাতাৰ চিয়ালদাহ আদালতত আজি আৰ জি কৌৰ চিকিৎসা মহাবিদ্যালয়ৰ এগৰাকী কনিষ্ঠ চিকিৎসকৰ ধৰ্ষণ আৰু হত্যা গোচৰত ট্ৰায়েল বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ইয়াৰ পূৰ্বে কেন্দ্ৰীয় অনুসন্ধান সংস্থা চি বি আয়ে এই গোচৰৰ মূল অভিযুক্ত সঞ্জয় ৰায়ৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছে। আদালতত এই বিচাৰ প্ৰক্ৰিয়া দৈনিক ভিত্তিত অব্যাহত থাকিব।

00000

অসম চৰকাৰ আৰু কেন্দ্ৰীয় সামৰ্থ্যবৰ্ধন আয়োগ অৰ্থাৎ চি বি চি আৰু কৰ্মযোগী ভাৰত অৰ্থাৎ এছ পি ভিৰ মাজত কালি এখন ত্ৰিপাক্ষিক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। ৰাজ্যখনৰ অসামৰিক সেৱাৰ বিষয়াসকলৰ সামৰ্থবৰ্ধনৰ লক্ষ্যৰে এই চুক্তি স্বাক্ষৰ কৰা হৈছে। এই ত্ৰিপাক্ষিক চুক্তিৰ অধীনত অসমৰ অসামৰিক সেৱাৰ  বিষয়াসকলক নীতি-নিৰ্দেশনামূলক ভূমিকাৰ পৰিৱৰ্তে কৰ্ম নিৰ্ধাৰকৰ ভূমিকা লোৱা আৰু তথ্য প্ৰযুক্তিৰ ব্যৱহাৰেৰে কৰ্ম দক্ষতা বৃদ্ধিৰ প্ৰয়াস চলোৱা হ'ব।

অসম চৰকাৰৰ হৈ মুখ্য সচিব ড০ ৰবি কোটা আৰু কৰ্মযোগী ভাৰতৰ মুখ্য কাৰ্যবাহী বিষয়া তথা সচিব ভি. ললিতা লক্ষ্মীয়ে এই চুক্তিত স্বাক্ষৰ কৰে।

00000

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি নতুন দিল্লীত এছিয়াৰ আন্তঃগাঁথনি বিনিয়োগ বেংক, এ আই আই বিৰ প্ৰতিনিধিসকলৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত বেংকটোৰ সঞ্চালক মণ্ডলীৰ ১১ গৰাকী প্ৰতিনিধিয়ে ভাগ লয়। যোৱা ৯ বছৰত লাভ কৰা উল্লেখযোগ্য সফলতাৰ বাবে মন্ত্ৰী শ্ৰীমতী সীতাৰমনে বেংকটোৰ ভূয়সী প্ৰশংসা কৰে। তেওঁ ৰাজহুৱা ডিজিটেল আন্তঃগাঁথনি নিৰ্মাণ আৰু এই সমূহৰ ব্যৱহাৰৰ ক্ষেত্ৰত ভাৰতক শক্তিশালী বৃহৎ আৰ্থিক ভেটি আৰু নেতৃত্বৰ কথা উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে বেংকটোৱে অনুকূল জলবায়ু, আন্তঃগাঁথনিৰ শক্তি সুৰক্ষা, নগৰ উন্নয়ন আদি গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহত বিনিয়োগ বৃদ্ধি কৰা উচিত।

00000

ভাৰত আজি বিহাৰৰ ৰাজগীৰ হকী ষ্টেডিয়ামত চলি থকা মহিলাৰ এছিয় হকী ছেম্পিয়নছ ট্ৰফী প্ৰতিযোগিতাত তিনিবাৰৰ বিজয়ী দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইয়াৰ পূৰ্বে কালি প্ৰতিযোগিতাত নিজৰ প্ৰথমখন খেলত ভাৰতে মালয়েছিয়াক ৪-০ গলত পৰাস্ত কৰে। ইপিনে জাপান আৰু  দক্ষিণ কোৰিয়াৰ মাজত হোৱা প্ৰতিযোগিতাৰ প্ৰথমখন খেল ২-২ গলত ড্ৰ হয়। প্ৰতিযোগিতাৰ দ্বিতীয়খন খেলত চীনে থাইলেণ্ডক ১৫-০ গলত পৰাস্ত কৰে।

00000

ভাৰতৰ তাৰকা খেলুৱৈ পি ভি সিন্ধু আৰু লক্ষ্য সেনে আজিৰ পৰা আৰম্ভ হ'বলগীয়া জাপান মাষ্টাৰ্ছ ছুপাৰ ফাইভ হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগতাত অংশগ্ৰহণ কৰিব। সিন্ধু কাইলৈ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছত নিজৰ প্ৰথমখন খেলত থাইলেণ্ডৰ প্ৰতিদ্বন্দ্বি বুছানান অংবামৰুংফানৰ মুখামুখি হ'ব। ইপিনে, পুৰুষৰ ছিংগলছত লক্ষ্য সেন মালয়েছিয়াৰ লিয়ন জুন হাওৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

একেদৰে মহিলাৰ ডাবলছৃত ভাৰতৰ গায়ত্ৰী গোপীছান্দ আৰু তৃষা জলীৰ যুটীটোৱে চীনা টাইপেইৰ শু য়িন হুই আৰু লীন ঝিহ য়ুনৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব। প্ৰতিযোগিতাৰ যোগ্যতা অৰ্জনকাৰী ৰাউণ্ডৰ খেলসমূহ আজি খেলোৱা হ'ব যদিও ভাৰতীয় খেলুৱৈসকল কাইলৈৰ পৰা প্ৰতিদ্বন্দ্বিতাত নামিব।

ooooo

**সমাপ্ত**